
ব'ল্ট

## সুপ্ৰভাত

আজিৰ দিনটোতে—

- বিশ্ব জ্যেষ্ঠ নাগৰিক দিৱস
- ১৮৬২ত ভিয়েনাৰ প্ৰথম ৰাজহুৱা উদ্যান ষ্টেটপাৰ্ক মুকলি
- ১৯৫৯ত হাৱাই ৫০সংখ্যক আমেৰিকাৰ ৰাজ্য
- ১৭৬৫ত ইংলেণ্ডৰ ৰজা চতুৰ্থ উইলিয়ামৰ জন্ম
- ১৯৮৬ত দৌৰবিদ উছেইন ব'ল্টৰ জন্ম
- ১৯৭৯ত অৰুণাচলৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডুৰ জন্ম

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

□ ষষ্ঠদশ বছৰ □ সংখ্যা ১৬৭ □ শুকুৰবাৰ □ ৩ ভাদ ১৯৪৮ শক □ ১৪৩৩ ভাস্কৰাব্দ □ ২১ আগষ্ট ২০২৬ চন □ VOL-16 □ NO-167 □ FRIDAY 21 AUGUST 2026 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDITION) PAG


### গুৰুৱে অজ্ঞানতাৰ আন্ধাৰ আঁতৰাই জ্ঞানৰ পোহৰ বিলায় ঃ বীৰেন বৰুৱা

# কানৈ কলেজৰ ছাত্ৰী নিৱাসৰ নৱাগতা আৱাসীৰ আদৰণী সভা

**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২০ আগষ্ট ঃ** 'গুৰুৱে অজ্ঞানতাৰ আন্ধাৰ আঁতৰাই জ্ঞানৰ পোহৰ বিলায়। গুৰু হৈছে জ্ঞান আৰু প্ৰেৰণাৰ উৎস। গুৰুৱে ছাত্ৰ-ছাত্ৰীক সত্য আৰু ন্যায়ৰ পথ দেখুৱায়। গুৰুৰ শিক্ষাই জীৱনক আলোকিত কৰি ছাত্ৰ-ছাত্ৰীসকলক সফলতাৰ দিশে আগুৱাই নিয়ে।' — ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ ৰুক্মিণী দেৱী কানৈ আৰু নতুন ছাত্ৰী নিৱাসৰ নৱাগতা আৱাসীসকলৰ আদৰণী সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি লেখক, সাহিত্যিক, ডিব্ৰু মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ বীৰেন বৰুৱাই ১৬ আগষ্টৰ সন্ধিয়া এইদৰে কয়। ছাত্ৰী নিৱাসৰ আৱাসী নিশিতা গগৈ আৰু অংকিতা ডেকাই আঁত ধৰা অনুষ্ঠানত বৰুৱাই কয়— বৰ্তমান নৱপ্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীসকল হৈছে জেন জি, ইয়াৰ পিছতে আহি আছে জেন আলফা। এই দুয়োটা প্ৰজন্মই হৈছে পৃথিৱীৰ ইতিহাসৰ আটাইতকৈ শক্তিশালী আৰু ব্যতিক্ৰমী প্ৰজন্ম। মুখ্যদ্বাৰৰ পৰা ছাত্ৰী নিৱাসৰ আৱাসীসকলে আৰতি কৰি সভাগৃহলৈ আদৰণি জনাই অনা সভাত তেওঁ কয়— আগৰ প্ৰজন্মই ইণ্টাৰনেট অহালৈ অপেক্ষা কৰিব লাগিছিল। আজিৰ প্ৰজন্ম ইণ্টাৰনেটৰ লগতেই জন্ম হৈছে বুলি উল্লেখ কৰি কয়— এটা সময়ত জ্ঞান আছিল কিতাপ আৰু গ্ৰন্থাগাৰৰ মাজত। আজি সেই জ্ঞান ছাত্ৰ-ছাত্ৰীৰ হাতৰ মুঠিত। ছাত্ৰী নিৱাসৰ আৱাসী নিভা লাহনে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত বৰুৱাই কয়— বৰ্তমান সময়ত এটা ম'বাইল ফোনেৰে পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ বিভিন্নজনৰ লগত সংযোগ স্থাপন কৰিব পাৰি, ভাব বিনিময় কৰিব পাৰি, এইখনেই হৈছে বৰ্তমানৰ ডিজিটেল পৃথিৱী। এইখন পৃথিৱীত সুযোগ অপৰিসীম হ'লেও কিন্তু প্ৰত্যাহ্বানো আছে। বৰুৱাই কয়— বৰ্তমান ডিগ্ৰীতকৈ স্কিল গুৰুত্বপূৰ্ণ হৈ পৰিছে। অতীতত ডিগ্ৰীয়ে চাকৰি নিশ্চিত কৰিছিল, কিন্তু বৰ্তমান ডিগ্ৰীয়ে চাকৰি নিশ্চিত নকৰে বৰ্তমান চাকৰিৰ বাবে প্ৰয়োজন ডিগ্ৰীৰ সমপৰিমাণে দক্ষতাৰ। বিশেষকৈ কৰ্প'ৰেট খণ্ডত চাকৰি পাবলৈ হ'লে এতিয়া দক্ষতাৰ অতি প্ৰয়োজন। তেওঁকয়— ডিজিটেল মানে কেৱল ম'বাইলত ৰীল চোৱা নহয়, ম'বাইলটোক নিজৰ কেৰিয়াৰ গঢ়ি তোলা, নিজৰ পৰিচয় গঢ়াৰ সঁজুলিলৈ ৰূপান্তৰ কৰিব পাৰিলেহে প্ৰকৃত ডিজিটেল মাধ্যম ব্যৱহাৰ কৰাৰ সাৰ্থকতা লাভ কৰিব পৰা যাব। বৰুৱাই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কয়— নিজৰ শিপা শক্তিশালী কৰাৰ লগতে দৃষ্টি বিশ্বমুখী হোৱা উচিত। নিজৰ মাতৃভূমি, মাতৃভাষা আৰু সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধাশীল হোৱাৰ লগতে সময়, মনোযোগ আৰু অনুশাসন বৰ্তাই ৰাখিব পাৰিলেহে জীৱনত কৃতকাৰ্যতা লাভ কৰিব পাৰি। তেওঁ কয়— বৰ্তমান সময়ৰ ডিজিটেল ক্ষেত্ৰৰ আটাইতকৈ ডাঙৰ শত্ৰু হৈছে অমনোযোগী স্বভাৱ। তেওঁ কয়— ছাত্ৰ-ছাত্ৰীসকলে কৃত্ৰিম বুদ্ধিমত্তাক ব্যৱহাৰ কৰিবলৈ শিকিব লাগিব, তেতিয়াহে অনাগত দহ বছৰৰ পিছত এই ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ পৰাই কোনোবা উদ্যোগপতি হ'ব, কোনোবা বিজ্ঞানী হ'ব আৰু কোনোবাজন শিক্ষাবিদ আৰু কোনোবাই অসমক বিশ্বৰ মঞ্চত পৰিচয় কৰাই দিব পাৰিব। বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানত আদৰণী ভাষণ প্ৰদান কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই কয়— হোষ্টেলৰ জীৱন মানে ঘৰুৱা গণ্ডীৰ পৰা ওলাই আহি সামূহিকভাৱে বাস কৰা, স্বাৱলম্বী হোৱা আৰু আত্মপৰিচয় গঢ়াৰ এক নিৰন্তৰ প্ৰক্ৰিয়া।' অধ্যক্ষ ড° শইকীয়াই কয়— হোষ্টেল কেৱল থকা-খোৱাৰ ঠাই নহয়, বৰঞ্চ বিভিন্ন ঠাইৰ শিক্ষাৰ্থীৰ স'তে মিলি একতা, সহমৰ্মিতা, সহযোগিতা আৰু অনুশাসন শিকাৰ বাস্তৱ পাঠশালা। সংকটৰ সময়ত নতুন আৱাসীক পুৰণাসকলে সহযোগিতা আগবঢ়াব লাগিব। নতুন আৱাসীসকলক শিক্ষা, সংস্কৃতি, উৎসৱ, সভা-সমিতি আদিৰ প্ৰতি অনুপ্ৰাণিত কৰিব লাগিব। অধ্যক্ষগৰাকীয়ে কয়— প্ৰশাসন আৰু শিক্ষাৰ্থীৰ মাজত পুৰণা আৱাসীসকলে সেতুবন্ধনৰ দৰে কাম কৰিব লাগিব। তেহে এখন সুন্দৰ হোষ্টেল গঢ় লৈ উঠিব আৰু শৈক্ষিক পৰিৱেশ অটুট থাকিব। অনুষ্ঠানত সমাজকৰ্মী, কানৈ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সদস্য জ্যোতিপ্ৰসাদ কানৈ, জ্যেষ্ঠ অধিবক্তা, কানৈ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্য অভিমন্যু বৰুৱা, কানৈ মহাবিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড° চুলতানা হাজৰিকা, গড়কাপ্তানী বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তা ৰিজু গগৈ, ডিম্বেশ্বৰ চলিহা ছাত্ৰাবাসৰ অধীক্ষক ড° বিৰাজ দত্ত, ৰুক্মিণী দেৱী কানৈ আৰু নতুন ছাত্ৰী নিৱাসৰ অধীক্ষিকা-অধ্যাপিকা কৰিশ্মা জে কে বৈষণ্ডৱীয়ে নৱাগতা আৱাসীসকলক উদ্দেশ্যি বক্তব্য প্ৰদান কৰে।



অনুষ্ঠানত তৃতীয় ষাণ্মাসিকৰ ছাত্ৰীসকলৰ সমৱেত সংগীত, প্ৰথম ষাণ্মাসিকৰ নৱাগতা ৰিকি দুৱৰাৰ সত্ৰীয়া নৃত্য, প্ৰথম ষাণ্মাসিকৰ নৱাগতা ছাত্ৰীসকলৰ দলীয় নৃত্য, প্ৰথম ষাণ্মাসিকৰ চেলিনা হাজৰিকাৰ একক নত্য, পূজাশ্ৰী গগৈৰ কবিতা আবৃত্তি, পঞ্চম ষাণ্মাসিকৰ ছাত্ৰীসকলৰ দলীয় নৃত্য, প্ৰথম ষাণ্মাসিকৰ ছাত্ৰী উমা দেৱী ৰাণাৰ একক নৃত্য, নীতিব্ৰতা গগৈ আৰু প্ৰীতি টায়েৰ যুটীয়া নৃত্য, তৃতীয় ষাণ্মাসিকৰ ছাত্ৰীসকলৰ দলীয় নৃত্য প্ৰদৰ্শনে উপস্থিত সকলোকে আপ্লুত কৰে। অনুষ্ঠানত সমাজকৰ্মী, কানৈ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সদস্য জ্যোতিপ্ৰসাদ কানৈৰ ওপজা দিন উপলক্ষে ছাত্ৰী নিৱাসৰ আৱাসীসকলে কেক কাটি তেওঁৰ জন্মদিন উদ্‌যাপন কৰে। অনুষ্ঠানত নৱাগতা আৱাসীসকলৰ হৈ বক্তৃতা প্ৰদান কৰে নিশিতা গগৈয়ে। অনুষ্ঠানৰ লগত সংগতি ৰাখি ছাত্ৰী নিৱাসৰ নৱাগতা ছাত্ৰীসকলে সৌন্দৰ্য চৰ্চা প্ৰতিযোগিতা অনুষ্ঠিত কৰে। সৌন্দৰ্য চৰ্চা প্ৰতিযোগিতাৰ বিচাৰক হিচাপে উপস্থিত থাকে অধ্যাপিকা নিতুমণি সোণোৱাল আৰু অধ্যাপিকা পূজা কোঁৱৰ। অনুষ্ঠানত চহৰখনৰ ভালেকেইজন গণ্য-মান্য ব্যক্তি, অধ্যাপক-অধ্যাপিকা, ছাত্ৰাৱাস আৰু ছাত্ৰী নিৱাসৰ শতাধিক আৱাসী উপস্থিত থাকে। অনুষ্ঠানৰ শেষত শলাগ জ্ঞাপন কৰে ছাত্ৰী নিৱাসৰ আৱাসী নিভা লাহনে।